# Neither you can see Clearly,
*NOR you can hear Properly !*





# কেটেৰেষ্ট আৰু কনামাকৰি
## ভাগ -১


লেখক :

**অভিনৱ বৰঠাকুৰ**

হিলচ্‌বৰ’ , নিউ জাৰ্চি

**United States of Satanic Demonic Pornographic AmeriKa**



ৰচনাকাল : ২০১৬ চন

**जहाँ मैं जाता हूँ वहीं चले आते हो**
**चोरी चोरी मेरे दिल में समाते हो**
**ये तो बताओ कि तुम म म म म म म    मेरे कौन हो ?**



# Tansformation !


भारत गणराज्य REPU
टाईप / Type
P
उपनाम / Surname
BARTHAKUR
दिया गया नाम / Given Na
ABHINABA
राष्ट्रीयता / Nationality
भारतीय / INDIA
जन्म स्थान / Place of Birt
GUWAHATI, ASS
GUWAHA
09/07/

# মই এটা কনী

যদি মই প্ৰশ্ন কৰো, মই কোন ? এইযে মই, মই বুলি কৈ থাকো, কোন এই মই ? সকলোৱেই দেখোন মই মই কৈ থাকে, অথচ মৃত্যু হোৱাৰ লগে লগেই এই “মই” শব্দটো কিয় নোহোৱা হৈ যায় ? সচাঁ অৰ্থত এই “মই” টো মোৰ পাৰ্থিৱ শৰীৰটো নহয় — এইটো ধুৰূপ । গতিকে, সকলোৱে কৈ থকা, মই বুলি চিনাকি দিয়া এই পাৰ্থিৱ শৰীৰটোকে অলপ বিশ্লেষণ কৰা হওক ।

মোৰ এই শৰীৰটো আহিল ক'ৰ পৰা ? ইয়াৰ ওৰ বিছাৰিলে দেখা যায় যে মোৰ এই শৰীৰটো মাত্ৰ এটা কনী । সম্পূৰ্ণৰূপে বিকশিত এটা মাত্ৰ কনী । এই কনীটোৰ কথা আলোচনা কৰাৰ আগতে কনীটোৰ উৎপত্তিৰ বিষয়ে অলপ ভাবি চোৱাতো প্ৰয়োজন । কনীটো যৰে তৰে পৰা আহিব নোৱাৰে, অকল স্ত্ৰী প্ৰজাতিয়েহে ইয়াক উৎপাদন কৰাৰ ক্ষমতা আছে । স্ত্ৰী প্ৰজাতি সাধাৰনতে ১২ৰ পৰা ১৫ বছৰৰ ভিতৰত ৰজস্বলা অৰ্থাৎ ৰাজসিক গুনেৰে পৰিপূৰ্ন হয় । বিশ্ব বহ্মাণ্ড ৰ তিনিটা গুন — ৰাজসিক, তামসিক আৰু স্বাতিক । ৰাজসিক গুন অবিহনে সৃস্তি অসম্ভৱ । ৰাজসিক গুনেৰে বা শক্তিৰে স্ত্ৰী প্ৰ জাতিয়ে ৰজস্বলা হোৱাৰ দিন ধৰি, প্ৰতি চান্দ্ৰ মাহত এটাকৈ কনী পাৰে । ১৪ ৰ পৰা ১৬ দিনত এই কনী, নিশিক্ত হবলৈ অপেক্ষা কৰে । নিশিক্ত হওকেই বা নহওক ১ বা ২ দিনৰ পাচত, এই কনী গৰ্ভলৈ উৰ্ধগামী হয় । নিশিক্ত নোহোৱা কনী গৰ্ভত ১০ দিন থকাৰ পিচত, যেতিয়া বিকশিত হব নোৱাৰে, ই ঋুতশ্ৰাব ৰূপে শৰীৰ ত্যাগ কৰে । নিশিক্ত হোৱা কনী আনহাতে ১০ মাহ ১০ দিন গৰ্ভত থাকি, স্ত্ৰী শক্তিৰ ৰাজসিক গুনেৰ জৰিয়তে, বিভিন্ন অংগৰে সম্পূৰ্ণ হৈ মাতৃ শৰীৰ ত্যাগ কৰে ।

গতিকে, মোৰ এই পাৰ্থিৱ শৰীৰটো হল সম্পূৰ্ণৰূপে বিকশিত এটা কনী, আৰু মোৰ মাতৃৰ অংগ । সেইকাৰনেই সকলো মাতৃয়েই সন্তানত বৰ ভাল পাই । মই মাত্ৰ এই কনীটোৰ ভিতৰত বাস কৰিছোঁ । মানুহ ৰূপে। ইয়াৰ আগতে মই অইন বিভিন্ন প্ৰ জাতিৰ কনীত বাস কৰিছিলো । মোৰ এই যাত্ৰা বৰ দিঘলীয়া । মই আহি আহি মোৰ যাত্ৰাৰ এই অন্তিম ধাপত থিয় হৈছোহি । যদিহে মই মোৰ এই শেষ পৰীক্ষাত উৰ্ত্তিন হব পাৰো, মোৰ এই দিঘলীয়া যাত্ৰাৰ অন্ত হব ।

মোৰ এই  পৰীক্ষাৰ বিষয়ে পাচলৈ লিখিম, কিন্তু এই মুহুৰ্তত মাত্ৰ এটা শ্লোক মনলৈ আহিছে -

পূস্পদন্ত ৰচিত  শিৱ মহিন্ন স্তোত্ৰৰ  ৩০ নম্বৰ  শ্লোকটি -
बहुल-रजसे विश्वोत्पत्तौ भवाय नमो नमः
प्रबल-तमसे तत् संहारे हराय नमो नमः ।
जन-सुखकृते सत्त्वोद्रिक्तौ मृडाय नमो नमः
प्रमहसि पदे निस्त्रैगुण्ये शिवाय नमो नमः ॥

তিনিটা গুনৰেই পৰা মুক্তি বিছাৰিছো — সন্মানৰ মোহ নাই, অথবা  অপমানৰ ভয়ও নাই ।






# পানী

জটাত বিগ্গল জল, প্ৰবাহ পাবিত স্থলে … শিৱ তাণ্ডৱ স্তোত্ৰৰ প্ৰথম শাৰী । ৰাৱনৰ সমান ব্ৰাহ্মন এই ত্ৰিলোকত কোনো নাছিল আৰু নোলাবও । যেতিয়া তেওঁৰ হাত দুখন, মহাদেৱৰ ভৰিৰ বুঢ়া আঙুলিৰ হেচাত, কৈলাশ পৰ্বতৰ তলত চেপা খাই পৰিছিল, কিয়বাৰু সেই আতুৰ চিঞৰৰ আৰম্ভনি জল অথবা পানীৰে কৰিলে ?
পানীয়েই জীৱন । পানীৰ অবিহনে সৃষ্টি অসম্ভৱ । মই যেতিয়া প্ৰথমে কনীটোত সোমাইছিলো, সিয়ো বিকশিত হৈছিল পানীৰ মাজত. । গতিকে পানীৰ বিষয়ে সম্যক জ্ঞান থকাটো অপৰিহাৰ্য্য । আমি সকলোৱে জানো যে পানী হল দুটা হাইড্ৰোজেন আৰু এটা অক্সিজেনৰ যোযন । কিন্তু সকলোৱে এটা কথা মানিব নোখোজে যে পানীৰ স্মৃতি শক্তি আছে । “water has memory” – Youtubeত বিছাৰ কৰিলেই হ'ল , যত কেইটামান পৰীক্ষাৰ বিষয়ে জানিব পাৰি । মানে, ধৰা দুটা কাপত পানীথৈ, এটাৰ ওচৰত শ্ৰুতিমধুৰ সংগীত,আৰু আনটোৰ ওচৰত Heavy Metal Rock সংগীত বজোৱা হওক । যদি পানী দুকাপ, মুহুৰ্তৰ ভিতৰতে বৰফত পৰিনত কৰি মাইক্ৰস্কপৰ তলত নিৰিক্ষন কৰা যায়, প্ৰথম কাপ পানীত সুন্দৰ Flowery Pattern দেখা যাব, কিন্তু আন কাপত কোনো Pattern ই পোৱ নাজাব । অইন এটা পৰীক্ষাত, দুকাপ পানীত ভাত থৈ, এটা কাপক সদাই গালি গালাজ পাৰে আৰু আনটোত অতি বিনম্ৰ ভাৱে পুজা কৰে । কেই সপ্তাহৰ পাচত দেখা গ'ল যে, গালি পৰা কাপটোৰ ভাতবোৰ ক'লা পৰি গেলি গৈছে, অথচ আনটোৰ ভাত ferment হৈ পৰিছে । মুঠতে, পানীক শব্দৰ দ্বাৰা অমৃত কৰি তুলিব পাৰি বা বিষ কৰি তুলিবও পাৰি । দ্বীতিয় মহাসমৰৰ পিচৰ কথা – দক্ষিন এচিয়াৰ কোনোবা একন দাঙৰ চহৰৰ এটা অত্যন্ত গোপনীয় কক্ষত কেইজনমান মিলিটাৰী বিজ্ঞানী গোট খাইছিল – আলোচনাৰ বিষয় Biological Weapon design and deployment । বৈঠক খন ইমানেই গোপনীয় আছিল যে দুপৰীয়াৰ আহাৰৰো ব্যবস্হা কৰা হোৱা নাছিল । আলোচনাৰ মেজত আছিল কেইবটল মান পানী । আলোচনাৰ শেষত কেইজন মান বিজ্ঞানীৰ গন্তব্য স্হান হৈ পৰিছিল পায়খানা ঘৰ । কাৰন জোনেই সেই কথা শুনা পানী গ্ৰহন কৰিছিল, তেওঁৰেই বদহজম হৈছিল ।

সেই কাৰনে বৈদিক কালৰ পৰা আমি জল শুদ্ধি কৰো গংগা আৱাহনেৰে - “গংগে চ যমুনে চৈব , গোদাৱৰী সৰস্বতী, নৰ্মদে সিন্ধু কাৱেৰী, জলেহস্বমিন সন্নিধিম কুৰু” । এই মন্ত্ৰৰ মাহাত্ম্য অসীম । প্ৰতি গিলাচ পানী, চাহ, কফি আনকি সুৰাও যদি গংগা আৱাহনেৰে পান কৰিব পাৰে – ৬ মাহৰ ভিতৰত তাৰ প্ৰভাৱ নিজৰ শৰীৰত দেখা পাব ।

ধৰা হওক এজন ব্যক্তিয়ে দৈনিক মদ্যপান কৰে । যদিহে তেও এৰাতি তাকে নকৰে, তেওঁৰ Withrawal Symptom দেখা যাব । গা-মুৰ বিষাব, টোপনি নাহিব । অথচ সেই মানুহজনক গংগা আৱাহনেৰে মদ খাবলৈ দিয়ক, ৬ মাহ তেনেকৈয়ে মদ খাওক । তাৰ পিচত তেওঁক ২ / ৩ দিন মদ নোখোৱাকৈ শোৱাপাটিলৈ যাবলৈ দিয়ক – চাওঁক তেওঁ কেনেকৈ শোৱে !

ৰোগ ব্যাধি মানৱ জীৱনৰ সহচৰী । অধিকভাগ ৰোগ ধৈৰ্য্য ধৰিলেই ভাল হৈ যায় । জলৰ মাহাত্ম্য বুজি পোৱাতো দৰকাৰ, তেতিয়াহে ডাক্তৰৰ অফিচলৈ তাতবাতিঁ কৰাৰ অন্ত পৰিব, আৰু জ্ঞান হব – এই বহুজাতিক দৰৱ কোম্পানীবোৰৰ আচল উদেশ্য কি ? জলৰ প্ৰকৃত শক্তি গ্ৰহন কৰাটো অতি সহজ । ৰূপ অথবা তামৰ পাত্ৰ বা গিলাচৰ পানী গংগা আৱাহনেৰে গ্ৰহন কৰিলে জলৰ প্ৰকৃত সুপ্ৰভাৱ দেহত প্ৰতিফলিত হব। তাকে যদি কৰিব নোৱাৰে, তেনেহলে পানী ৰখা পাত্ৰ, ফিল্টাৰ, টেংকি আদিত মন্ত্ৰটো লিখি লগাই থলে নামমাত্ৰ হলেও সুফল পাব পাৰি ।



# শিক্ষা আৰু বৃত্তি

শৈশৱ কাল অন্ত হোৱাৰ পাচত, লৰাই পাঠশালালৈ যায় আৰু বক্ষ্মচাৰ্য্য জীৱন আৰম্ভ কৰে । ১২ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰৰ এই সময়চোৱা জ্ঞান আহৰনৰ বাবে উপযোগী সময় । বৃথা জ্ঞান বা অত্যাধিক বিষয়ৰ জ্ঞান আহৰনৰ চেষ্টাত সময় অপব্যয় কৰাটো অনুচিত । One hat fits all ৰ দৰে আমাৰ স্কুলীয়া ও কলেজীয়া পাঠ্যক্ৰমে ছাত্ৰৰ অনেক সময় মাত্ৰ অপব্যয় হে কৰে । ভগৱান শ্ৰীকৃষ্ণই গীতাত স্পষ্টকৈ কৈছে – তই তোৰ দেউতাৰে কৰা কামকে কৰ ।

চতুৰ্থ অধ্যায় – শ্লোক – ১৩, ১৪
चातुर्वर्ण्यं मया सृष्टं गुणकर्मविभागश: ।
तस्य कर्तारमपि मां विद्ध्यकर्तारमव्ययम् ।।
न मां कर्माणि लिम्पन्ति न मे कर्मफले स्पृहा ।
इति मां योऽभिजानाति कर्मभिर्न स बध्यते ।।

মই মোৰ জীৱনটোত তাকে নকৰি Chemical Engineering ৰ BS ( মানে Bull Shit) কৰিয়েই ক্ষান্ত নাথাকিলো । MS, মানে More Shit কৰিবলৈ, তৰানৰা চিঙি আমেৰিকা পালোহি । নিজকে যেতিয়া সোধো, কোনটো Semester ৰ , কোনটো Subject' ৰ কোনটো Chapter মোৰ দৈনিক জীৱনত ব্যৱহাৰ কৰিছো, উত্তৰ হলে মই নাপালো । চাকৰিমূখী বিদ্য অৰ্থাৎ, লোকৰ চাকৰ হব লগা বিদ্যা হোৱাতকৈ নোহোৱাই ভাল । মই দেৰিকৈ পোৱা জ্ঞান অনুসৰি, এজন ছাত্ৰৰ বাবে ১০ম শ্ৰেনীলৈকে পঢ়িবলগীয়া পাঠখিনিয়েই যথেষ্ট । পঢ়িব, লেখিব, গণনা কৰিব পৰা আৰু অলপ চলপ জ্যামিতি বা ত্ৰিকোনমিতিৰ জ্ঞান আহৰনেৰে এজন ছাত্ৰই নিজকে অনায়াসে মানৱ জীৱনত কৰিবলগীয়া কামৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে । ইয়াকে কৰাৰ পাছত, ছাত্ৰই যদি ভাল পায়, নিজৰ দেউতাকৰ বৃত্তিটো বা নিজৰ ভাল লগা এটা বৃত্তি যিটো অইন মানুহৰ দৰকাৰ হয় তাক আহৰন কৰিবলৈ কোনো জ্ঞানী পুৰুষৰ ওচৰত বিনা হাজিৰাত কাম শিকাকৈ শিক্ষাৰ্থি হোৱা উচিত । যদিহে এই বৃত্তি কাৰিকৰী বৃত্তি হয় তেনেহলে, এটা কথা ভালকৈ আগতিয়াকৈ ভাৰি চোৱা ভাল যে এই কাৰিকৰী বৃত্তিত দৰকাৰি হোৱা যন্ত্ৰপাতি নিজেই ক্ৰয় কৰাৰ ক্ষমতা আছে নে নাই ।



মাত্ৰ এখন Certificate বা Degreeৰ বাবে বছৰৰ পিচত বছৰ কোনো মহাবিদ্যালয়ত বিভিন্ন বিষয়ৰ জ্ঞান, যিটো ভৱিষ্যত কৰ্মজীৱনত একোটেই ব্যৱহাৰ নহয়, আহৰন কৰি সময় নষ্ট কৰাটো এটা মহা মূৰ্খামী । আজিকালি, মই দেখা মতে, অগনন কাৰিকৰী ডিগ্ৰিধাৰী ব্যক্তিক অইন বিষয়তহে কৰ্মৰত হোৱা দেখা যায়, য'ত সাধাৰন ১০ম শ্ৰেনীলৈ পঢ়া জ্ঞানখিনিয়েই যথেষ্ট । এটা বৃত্তিৰ অৰ্থ হল, এটা কাম সুচাৰুৰূপে কৰাৰ ক্ষমতা । এজন মানুহে সকলো কাম সমান কাৰ্য্যদক্ষতাৰে কৰিব নোৱাৰে। সেয়েহে এজন মানুহে অইন এজন মানুহৰ সহায় বিচাৰে । গতিকে যি বৃত্তিয়েই লোৱা নহওক, তাক অইনৰ চকুত অপৰিহাৰ্য্য কৰি তোলাটোৱেই এক বৃত্তিধাৰী ব্যক্তিৰ মুল উদেশ্য হোৱা উচিত। যিহেতুকে ছাত্ৰই পিতাকৰ কৰ্মটো সৰুকালিৰ পৰাই দেখি আহে, তাক আয়ত্ত কৰাটো সহজহৈ পৰে আৰু সেইকাৰনেই ভগৱান শ্ৰীকৃষ্ণই পিতাকৰ বৃত্তিটোৱেই লবলৈ পৰামৰ্শ দিছিল। ৰজস্ব গুনৰ বহুলতাই বৰ্ত্তমান যুগৰ মানুহক চাকৰিমুখী শিক্ষাৰ প্ৰতি আকৃষ্ট কৰে। স্বত গুনৰ পুৰুষে সাধাৰনতে বৃত্তিমুখী শিক্ষাত গুৰুত্ত দিয়ে আৰু তেওঁলোকক অধিক সুখী দেখা যায় । জ্ঞান পাবলৈ গুৰুৰ আবশ্যক, গুৰু পাবলৈ ধনৰ আবশ্যক আৰু ধন পাবলৈ জ্ঞানৰ আবশ্যক । এই তিনিটা বিন্দু যে বৃত্তটোত আছে, এটাৰ পৰাহে অইনটোলৈ যাব পৰা যায় । তেনেহলে আৰম্ভ কৰোঁৱেই বা কোনটোৱেদি ? এই বৃত্তটোৰে মোৰ চিনাকি হল কেনেকৈ ?

আমাৰ বেচমেন্টত আছে এটা শিৱ মন্দিৰ । ক'ৰ পৰা চিন্তা আহিল, এটুকুৰা ফটা কাগজত লিখিলো - "মোক পৰীক্ষা লাগে" , টুকুৰাটো লৈ গৈ, থাপনাত বহি থকা মহাদেৱৰ মূৰ্ত্তিটোৰ বাওঁআঠুৰ তলত ভৰাই থলো । সেইয়া হবলা ২০১৩ – ১৪ৰ কথা । জগৎগুৰুৱে মোক পৰীক্ষা দিবলগীয়া হোৱাত জ্ঞান দিবলগীয়াত পৰিল । পৰীক্ষাও দিলে, জ্ঞানো দিলে - তাৰেই ফল মোৰ এই লিখনী ।

**জ্ঞান পালো – "কৰ্ত্তা নহবি, কৰ্ম কৰ ।"**
**পৰীক্ষা দিলো -**
**" সন্মানৰ মোহ নাই,**
**অপমানৰ ভয় নাই ।"**



# ইংৰাজী ভাষা

ইংৰাজী ভাষাটো মানুহৰ ভিতৰত আটাইতকৈ মনস্তাত্তিক ভাৱে পিছপৰা লোকৰ বাবেহে । বুদ্ধিমান মানুহে সংস্কৃত ভাষাহে ব্যবহাৰ কৰে, কিন্তু তেনে মানুহ আজিকালি পোৱা কঠিন । ইংৰাজী ভাষা ইমানেই টোকোনা যে — ইয়াত কোনো 'কাৰ' বা যুক্তাক্ষৰৰ ব্যবহাৰেই নাই । ইংৰাজী ভাষা হল কলিৰ ভাষা, মহাভাৰতৰ যুগৰ অন্তত, মানে আজিৰ পৰা ৫২০০ বছৰৰ আগতে Phonecian মুলৰ পৰা অহা ভাষা । সহজ অৰ্থত কবলৈ গলে ইংৰাজী ভাষাটোৰ উৎস হল লেটিন, যিটোৰ বাসস্থান হল কৰ্ট-কেছাৰী । লেটিন ভাষাৰ লিপি হল Phonecian । সেইকাৰনে এতিয়াও যদি কোনোৱে ইংৰাজী ভাষা শিকিবলৈ যায় তেনেহলে তেওঁলোকক “Phonetics” ৰ জ্ঞান দিয়া হয় । আমেৰিকাত কন কন লৰা ছোৱালীক সৰুতেই Hooked on Phoneics ৰ পাঠ দিয়া হয় । Phone মানে Sound । আধ্যাৎমিক গুনেৰে শক্তিশালী দুজন ব্যক্তি মাজত ভাৱৰ আদান প্ৰদানৰ বাবে Sound ৰ প্ৰয়োজনেই নাছিল । যিহেতুকে আধ্যাৎমিক শক্তিৰ জৰিয়তে আমি কৰা ভাৱৰ আদান প্ৰদান এই Phonecian বোৰৰ উৰ্দ্ধত আছিল, মানুহক জয় কৰিবলৈ ও আমাৰ ভাৱবোৰ জানিবলৈ ইহতে এই শব্দ সহায়ক ভাষা প্ৰৱৰ্ত্তন কৰে ।

এই Phonecian সভ্যতা নো কি ? খোজ বিছাৰ কৰিলে পোৱা যায় যে এই Phonecian বোৰ বৰ অধম আছিল, আকি ইহতে সৰু সৰু লৰা ছোৱালীবোৰ জুইত পুৰি বলিদান দিছিল । ৰোমান বোৰেও ইহতক খেদিছিল । ইহত বৰ বস্তুবাদী আছিল আৰু ভালৰ ভাল বস্তু আবিস্কাৰ কৰিছিল - অৰ্থাৎ ৰজস্ব ও তামসিক গুনেৰে ভৰপুৰ । কিতাপত লিখা মতে খৃষ্ট পূৰ্ব ৩২০০ মান চনত ইহতৰ আৰম্ভনি । ঠিক তেনেমান সময়তেই মহাভাৰতৰ যুদ্ধও শেষ হৈছিল । গতিকে দুইয়ে দুইয়ে চাৰি কৰিলে, এই পশ্চিমীয়া বোৰেই যে কলিৰ স্বৰূপ তাক বুজাটো কঠিন নহব, কিয়নো প্ৰতিটো পশ্চিমীয়া ভাষা, যেনে স্পেনিচ, ৰুচ, ইংৰাজী, ইটালিয়ান, আৰবিক আনকি হিব্ৰু আদি সকলোৰে মুল লিপি হল Phonecian।

ইউৰোপ, আমেৰিকা আদি দেশৰ মানুহক ম্লেচ আখ্য দিয়া হয় । ইয়াৰ কাৰন বৰ সাধাৰন । ইহতৰ মানৱীয় গুন বৰ কম । ইহত বৰ বস্তুবাদী, আৰু Human Emotion নাই । ইহতৰ মুল খাদ্য মাংস, যদিওবা মানুহ প্ৰজাতিৰ দাঁত মাংসহাৰী জন্তুৰ দৰে নহয় । আৰু এটা কথা মনকৰিবলগীয়া যে — ইহত শনি আৰু ৰবিৰ উপাশক ।

নহলেনো বাৰু Weekend বা শনিবাৰে ইহতে Barbacue কৰি ভাল পায়নে ? শনিবাৰে, বিশেষকৈ আমেৰিকাৰ Grill বোৰত পোৰা মাংসৰ পয়োভৰ ঘটে - অইন একো কাৰন নাই, মাত্ৰ শনি উপাশনা যিহেতুকে শনিদেৱে পোৰা বস্তু ভাল পায় আৰু শনিক তুস্ত কৰি অগাধ ধন সন্পত্তি আহৰন কৰে, বস্তুবাদীতাৰ আনন্দত জীৱন জাপন কৰে । ইহতৰ কোনে আধ্যাৎমিক চেতনা নাই আৰু মোৰ মতে ইহত Endless Life and Death cycle'ত বন্দি ।

ইহতৰ বস্তুবাদীতা, ৰংচঙীয়া অসভ্যতা, কতু সংগীত ইত্যদি ইহঁতে অতি সৰ্তপনে আজি প্ৰায় ৫০০ বছৰ ধৰি পৃথিৱীৰ প্ৰতিটো অংশলৈ ৰপ্তানি কৰিছে যে – ধৰ্ম গাইৰ শেষ পদটোও আজি চিন্ন হোৱাৰ পথত । ইহতক বাখ্যা কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণৰ মাত্ৰ দুটা শ্লোকেই যথেষ্ট -

ষষ্টদশ অধ্যায় – শ্লোক – ৮,৯

असत्यमप्रतिष्ठं ते जगदाहुरनीश्वरम् ।
अपरस्परसम्भूतं किमन्यत्कामहैतुकम् ।।
एतां दृष्टिमवष्टभ्य नष्टात्मानोऽल्पबुद्धय: ।
प्रभवन्त्युग्रकर्माण: क्षयाय जगतोऽहिता: ।।

# কিয় বাৰু ?

আমাৰ চকুৰে দেখা আৰু সাধাৰন জ্ঞানেৰে অনুভৱ কৰো যে পৃথিৱী খন এখন সমতল ক্ষেত্ৰ আৰু স্থিৰ । আকাশখনত দেখা সকলো গ্ৰহ, নক্ষত্ৰ, জোন, বেলি আমাৰ চাৰিওপিনে ঘুৰিব লাগিচে । কিন্তু আমি আমাৰ চকু আৰু অনুভুতিক ত্যাগ কৰি, আমাক জ্ঞানান্ধ কৰা কেইজনমান পশ্চিমীয়া ভণ্ড জ্যোৰ্তিবিজ্ঞানীৰ চৰনত ধৰি জ্ঞানৰ আষিশ মাগিছো, যেন তেওঁলোকৰ ওচৰতেহে আছে সকলো অসাধাৰন জ্ঞান আৰু হাবল টেলিস্কোপ ! এই মগজু প্ৰক্ষ্যালন ইমানেই তিব্ৰ যে অইন সাধাৰন মিছাবোৰেৰে আমাক প্ৰতিবোধন কৰোৱাটো যে এটা ভাতৰ লগত পানী খোৱাৰ দৰে সহজ হৈ পৰিছে । বৈদিক কালৰ পৰা আমাক আশ্ৰয় দি অহা পৃথিৱী খন বিশ্ব-ব্ৰহ্মাণ্ডৰ কেন্দ্ৰস্থল হোৱাটোৱেই বা গ্ৰহ-নক্ষত্ৰ আমাৰ চাৰিওপিনে ঘুৰাটোৱেই, আমাৰ পৃথিৱীখনক এটা অসাধাৰন গুৰুত্তপুৰ্ণ স্থানত প্ৰতিস্থাপন কৰাই নহয়, ই আমাৰ এই মানৱ জীৱনটো যে কাৰোবাৰ এটি অতি মহত্তপুৰ্ণ বুদ্ধিত্ত্বোবুদ্ধ সৃস্তি তাকে সাব্যস্ত্য কৰে ।

উঃ উঃ !! এইটো হ'লেটো নহৱ ! গতিকে, বনোৱা হওক ইয়াক, এক ঈশ্বৰবিহীন Big Bangৰ পৰা, এটা ফুটবল । ঘুৰুৱা হওক ১০০০ মাইল প্ৰতিঘন্টাত, দলিয়াই দিয়া যাওক সূৰ্য্যৰ চাৰিওপিনে ৬৬০০০ মাইল প্ৰতিঘন্টাত, উৰুৱাই দিয়া হওক ৪৫০ হেজাৰ মাইল প্ৰতিঘন্টাত — মহা শুন্যত । পৰিৰ্বত্তন কৰা হওক মানৱতাক, এটা বৃথা অৰ্থহীন, উদেশ্যহীন অঘটন — এখন অন্ধ মূৰ্খ ব্ৰহ্মাণ্ডত । যাতে ভৌতিপূৰ্বক ভাৱে, মনস্তাতিক বশীকৰনৰ যোগেদি মানুহৰ ভিতৰত থকা তিলমাত্ৰ দেৱত্ত ধংস কৰাটো সহজ হৈ পৰে । কি? তুমি সুধিছা ? কিয় বাৰু ? কি কাৰনেনো তেওলোকে এনে কাম কৰিব ? কি আৰ্থিক লাভ ? হেঃ হেঃ হেঃ !! NASA ? কৰদাতাৰ হেজাৰ হেজাৰ কোটি লৈ ভুৱা চন্দ্ৰাভিযান নাটক দেখুৱাওটেই অন্ত নাই থকা । এতিয়াটো প্ৰতিখন দেশেই — কি RFSA, কি ISRO , কি চাইনিজ, কি জাপানিজৰ মহাকাশ গবেশনা কেন্দ্ৰ, সকলোৱেই হেজাৰ হেজাৰ কোটিৰে আভুৱা ভাৰি কম্পিউটাৰকৃত ছবি উলিয়াই দেখুৱাব লাগিছে - পৃথিৱীখন এটা নীলা ৰবাৰ টেঙা । এই পাষণ্ড নাস্তিকে বনাই পেলাইছে এটা Big Bang - Heliocentric ব্ৰহ্মাণ্ড, যত মানুহ ক্ৰমবিকশিত হৈছে বান্দৰৰ পৰা । এতেকে, এই মানুহৰ অস্তিত্তই বা কি? পৃথিৱীখনক বিশ্ব-ব্ৰহ্মাণ্ডৰ কেন্দ্ৰস্থলৰ পৰা আতৰাই, আমাৰ শাৰিৰীক আৰু আধ্যাত্মিক চেতনা মষিমুৰ কৰি, আমাৰ মানৱীয় গুৰুত্ততা ধংস কৰি থেলি দিলে এটি ধুলিকনালৈ ।

যদিহে পৃথিৱীখন বিশ্ব-ব্ৰহ্মাণ্ডৰ কেন্দ্ৰস্থল হয়, তেনেহলে ভগৱানৰ সৃস্তি , আৰু মানৱৰ অৱস্থান চমকপ্ৰদ হব । আৰুবা যদিহে পৃথিৱীখন, এক অজুত ছায়াপথৰ, নিযুত তাৰকাৰাশীৰ, কোটি-কোটি গ্ৰহ-নক্ষত্ৰৰ মাজৰ মাত্ৰ এটা নগন্য নীলা মাৰ্বল হয়, তেতিয়াহলে ভগৱানৰ সৃস্তি অসংগত হৈ পৰিব । সেয়াই, অজানতে মানুহক প্ৰতিবোধন কৰোৱাইছে যাতে মানুহে সকলো আধ্যাত্মিক চেতনা জলাঞ্জলি দি, অকল বস্তুবাদি আৰ্দশকেই জীৱনৰ মূলমন্ত্ৰ হিচাবে লোৱা উচিত আৰু কেৱল বাহিৰা জাকজমকতা, স্বাৰ্থপৰতা, ভোগ-সুখবাদতা, আবশ্যকহীন পণ্যৰ ভোক্তা, পদ-মৰ্য্যদাৰ লালসাত জীৱন অতিবাহিত কৰাটোৱেই মানৱ জীৱনৰ মূখ্য কৰ্ত্তব্য । এতেকে, ইয়াত কোনো ভগৱান নাই, যি হৈছে – সকলো মাত্ৰ আকস্মিক । সকলোৰে আগতে মই, মাত্ৰ মই, আৰু কেৱল মই ।

দেখিছানে ? ইহতৰ বহুজাতিক প্ৰতিস্হানবোৰে আমাক দেখুৱাইছে তাহাতৰ বাহাদুৰি Logo, বেচিছে আৰু দেখুৱাইছে কাক আমি মুৰ্ত্তি পাতিব লাগে, লাহে লাহে অধিকাৰ কৰি পেলাইছে এই বিশ্বখন, বিশ্বাস কৰোৱাইছে সিহতৰ বিজ্ঞানক, ভোট দিওৱাইছে সিহতৰ পুতলাক, কিনোৱাইছে সিহতৰ অলাগতিয়াল পন্যক, শুনুৱাইচে সিহতৰ বিকৃত সঙ্গীত, দেখুৱাইছে বিকৃত কথাছবি, আৰু বলি দিছে মানুহৰ অন্তৰাত্মা বস্তুবাদিতাৰ পূজাবেদিত ।
এইটো যে এটা বৃহৎ ৫০০ বচৰীয়া মিছা, মানৱতাক অন্ধকাৰৰ মাজত ৰাখি, ভগৱানৰ পৰা দূৰ কৰি, মুক্তিৰ পথৰ পৰা বঞ্চিত কৰি পেলাইছে । নহলেনো বাৰু আমি ৭০০ কোটি ইয়াত বন্দি হৱ লাগেনে ? ভুপেনে গাই গৈছে – “অতিতৰ বুৰঞ্জী লিখকে লিখিছিল ৰজা-মহাৰজাৰ কথা, আজিৰ বুৰঞ্জীৰ লিখকে লিখিব মানুহত মুকুতিৰ কথা” । আমি ৫০০ বছৰৰ আগতে বন্দি নাছিলো ! চোৱা তলৰ ছবিখন ...



# THIS IS MY GAME

I am a football player, our team owner is Sam. He is very nice and kind. Although, in our team there are many good and bad player, he treats everyone equally. Nat is our water boy, he also provide us snacks and give us rides once in a while. Sometime, he also acts as a refaree. Nat's wife is very pretty and rich. Sometime I see her, sitting on the side and wears a lot of gold jewellery.

The problem with me, when I go in to the field to play, I forget lot of stuff, and make a lot of mistake like rest of us. Sometime I get hurt and bruised myself. But Nat was always there to put bandage on me. I do not know how many games I played so far, but I know lot of our team mate have played many games over and over again. But looks like, we are not been able to perfect it. Many new team mate comes and we play. Only FEW selected perfected the game. But unfortunately, those who perfected the game, we don't see them anymore. They never comes back to play with us. Dont know why, but I always wish to see one of them again to play with us, so that I can learn his trick. I am unlucky so far.

The other day, on my way to the stadium, I thought of dropping by at Sam's place, just to greet him. He was sitting there under a tree, eyes closed. I can smell some weed too. Maybe he was smoking. I wanted to ask him about those players, who were good but never came back to play with us anymore, but did not. Instead, I just asked — Hey Sam, can you tell me how those guys played the game so perfectly. I want to get an exam, if you let me have one. I am not sure if he opened his eyes, or moved his lips or even nooded. But I thought, he may have nodded. So I left.

I went back to the stadium and started playing my usual rounds. But, slowly, I started having a feeling that the game I was playing for so long, kind of getting little tougher. I started to get hurt often, refree suspends me more often, Nat is there but I am not sure if he is tying my bandage right and giving me enough cold water to quinch my thirst. I started getting annoyed at myself, when I get home, I showed my anger to my innocent wife and children. I wanted to ask Sam, if is he unhappy with my performance on the field, because, you see, he is the owner. You don't want to make him unhappy, do you ??

Few weeks passed by. My games are still getting tougher, and tend to get tired easily, running out of breath, getting thirsty frequently. One day, I was watching an youtube video, some of the football player are taking about water and how water therapy can make once performance better on the field. So, I started doing some research on water, and start applying to my body. Results started showing in about 6 weeks. I am no longer feeling tired quicky as before.

You see, I most of the time playing football and not putting much attention on our family finance, and sometime we have a fight for silly things — the cause is usually “Money”. One day I decided to learn what this “Money” is all about and started doing research on it. It was an eye opener, just like before, I found scores real good video to learn

about money, that changed our family life to much better. Happy family = more time on stadium, I can play a lot.

But the problem is, I am kind of timid, you know ! L am always fearful of getting hurt on my knees, and back or neck . That is taking toll on my performance. I said it to myself, “Man, I gotta learn this FEAR thing man, otherwise I am not going nowhere on this stadium”. But unfortunately, I could not find any youtube videos. I could not get any help from friends, wife, neighbors. Neither I got any help from Nat nor Sam too. It was a tough journey, learning FEAR. But, as you can see my games everyday is getting tougher and I am facing a LOT more FEAR than before. Few years back I get 1 or 2 fear ina month, but now like one or 2 in every hours, A LOT of them. Many of those fearfull situation, actually I created myself. As I play with my fear on the stadium, and defete them, I can hear someone is cheering from the crowd. It took me almost 2 years to learn the FEAR, and now I can play my game, push the ball much easier than before. I know I am better player than before, but am I a perfect one - definetely not.

But about a week back, I was sitting on my chair one evening, thinking about my movement on the game that I played night before, suddenly I realized, I am a good player, without fear, but I am a larger player in size then the rest of my co-player. Suddenly, those obsucre rule of the games became very clear to me. Those rules are same for Every player, but each of them failed to recognize it, because they listen to others, but not using their own senses, like eyes, ears, nose etc … I can clearly see that each of our co-player is a look-alike of me! Thats crazy ! EVERYONE of them ! But, each of them are playing their own kind of game, COMPLETELY DIFFERENT of one another. There I found the RULE of the GAME — EACH one MUST PLAY our OWN part, as it was designed in the beginning of the game, WITHOUT FEAR !

Slowly, I started seeing more and more players are coming in the stadium is getting crowded and its getting difficult for me to get my sandwiches on time, I had to wait on a long line before Nat gives me my water or the sandwich. So, on day, while coming from the stadium, I stopped by at Sam's place. This time when I was looking at him, he looks EXACTLY like me —a clone !!! its crazy ! He was as usual, half closed eyes, expressionless. I asked him, why are there more and more player crowding the stadium ? I thought his lips move a little, and I think I heard him saying, but not too sure, but I got the meaning of it — as it like in telepathy ! All those clones player of him were sent to play the game following the predetermined rules. But more and more of them not only make mistakes, but does fouls or COMPLETELY unwanted unnecesary movement, because they focused more on their sandwich, the coke, and shiny boots etc. Sam believs that as long as those players are playing the games by the rules, but not learning the game they will keep playing in the stadium. Whoever learned the game in and out, he wont get the pleaseure of playing it anymore — like the tick tock toe game where you always win or draw. At that time he goes back to sam, and he vanishes behind him. But those, who makes fouls and try to screw up the game, will no longer be playing on two foot and the football. He will go to different stadium, where he will be playing on both hands and knees, until he learn that game, he can come in to my stadium and play on two foot and the ball again. Sam also told me that, there are many players, do relly dont’ do lot of fouls, but distract other player to make fouls so that they can make them

playing the game, under their own set of private rules. But, Sam always send new players on a constant basis to the stadium, he never stops recruiting.

That actually made the stadium crowded, because majority of the players are either not learning the game, or going to the other stadium played on four limbs and come back again to this stadium, Then I asked Sam, why you started this game, after all. What are you getting out of it ? Sam says, he loves to play. If he doesn't play he has nothing else to do, and it make him sad and lonely. Also, he know very well, if all of the players learn the game quickly, they will come back to him and vanishes, he will be all alone again. Thats why, Sam only sends a steady stream of players to the stadium, not one more , not one less.

At this moment, I realized why Sam is little upset. His rule of the game is getting screwed up on the stadium, and its getting crowded —A LOT OF players, on this stadium ONLY. Not sure how many more on the other stadium, wating for their chance to come to this one. That only Sam could answer, I dont know.  Next day, when I went back to the stadium, I met with many of my look-a-like co-players, but wearing different color jerseys and boots. Some of them wears very expensive gold trimmed boots, but some of them has half torn ones. And we played together. I try to talk to few of them, just to tell them the tricks of mastering the game, but NO one wants to listen. Within me, I was getting unsetteled, I must tell them the tricks. But they won't listen. Like I said before, majority of the players dont know how to use their senses. But I found few, who actually uses their sense, like for example their eyes. One of them, ran pass me and yelled “ Hey, look out — the earth is flat !” and I hear a lof of other in the stadium laughing out loud calling him crazy ! But I did not. I went back home that night, and did my usual research - if the earth is really flat ! I realize many of us at the stadium, failed to use and believe our own eyes.

Another day at the stadium, I tried to find that guy, who ran by yelling flat earth, I cant find him. How could I, all of them look the same -and I did not remember what color jersey he was wearing nor his boot's style. Anyway, I concentrated the ball, trying to do some carricature, kicked it up, headed towards the right, then this other player showed up in front of me. I randomly asked him, “hey, do you know earth is flat ?”. He said yeah, I know. Surprised, I wanted to be more friendly with him, you see ? We are both flat earthers ! We chatted for some time, and I wanted to tell him the tricks of the game. As I was starting my conversation on how I got those tricks, he seems to be losing interest in me, and kicked his ball few yards to the left and went chasing it. Thats the end of our conversation. I did not see him after that. .

You know, sometime, I am frustrated, trying to talk to my fellow players about those tricks, and they wont listen and I get angry. I am kinda short tempered guy, always been that way, its in my blood. When I get angry I do break things sometime. Before my water therapy, I used to really point my anger to my co players in many different ways. But now a days, the intensity of that anger is gitting diminished slowly over time, probably because of the look of their face.

On my way home, I took a detour, wanted to swing by Sam's place. Sam lives on a secluded part of town, little up the hill. His property has a lot of trees, as I walked in to his

driveway, I noticed that he is hot mowing his lawn, although its a big nice property, grasses are kind of overgrown. It needs and urgent mowing. Maybe I will come next week and help him mow his lawn. As I was getting closer to his house, I smelled nice cooking smell. At the stadium we sometime chat about Sam's wife, Peggy. My wife EXACTLY looks, acts and cooks like Peggy !!! Everyone in the town knows Peggy Is a great cook, and also can cook really fast. Sam is on the back yeard, at his usual place. Sam doesn't start conversation, he is a soft spoken guy. Many people in the town thinks he is very rich, coz he own the biggest stadium and the best team anywhere. But, only few of us, knows he doesn't have much wealth to call his own. He got his property, pretty large, and some livestocks like chicken, cow, ducks, a large vegetable garden. His home is unimpressive, so his furnitures. He believes in a simpler life, he has all ne needs. I spend some time with him, peggy gave me a snack, as she always does. As I was about to leave, I reminede him about the exam that I asked for. He didn't say much, just nodded. On my way home, I was thinking to myself, is he already started giving me my exam on the football field ?
Because, I was getting hurt more often, and my co-player are becoming unfriendly and they rann faster towards me andmy fear of getting hurt creeps up. Did Sam told other guys in the team to give me more trouble ? Everyone knows Sam never comes to the stadium. We only see Nat once in a while. Lately Nat is also becoming unpredictable. He hardly show up. I shook my head, parked my car at the end of my driveway, and I saw my wife is back from her work already. As I walked in, I smell some very nice dinner. I am happy ! I went downstair to grab a cold beer.

I am …  aeioummmmmmmmmmmmm…..

# ধন, টকা, ডলাৰ, ৰূপ আদি

ধন বা Money কি ? Definition টো ইংৰাজীতে দিও -

Money Needs to be :
1. Divisible 2. Fungible 3. Portable 4. Durable 5. Store of Value অর্থাৎ Valuable

১০০ টকীয়া বা ১০০ ডলাৰৰ নোট খন অনাহওক আৰু চোৰা হওক সেই কাগজ খনে ওপৰত দিয়া definitaion টো satisfy কৰিব পাৰে নে নোৱাৰে । ১ৰ পৰা ৩লৈ – নিঃসন্দেহে । ৪নং টো যেনেতেনে চলি যায় বুলিয়েই ধৰিলো বাৰু , যদিহে পুখুৰিৰ তলত ১০০ বছৰ পেলাই থোৱা নহয় । কিন্তু ৫ নং টো বাৰু সচা হবনে ?

১৯৫০ চন । তোমাৰ মটৰ চাইকেলত তেল নাই । দেউতাৰে তোমাল ১ ডলাৰৰ কাগজ খন দি কলে – যা তেল ভৰাই লগৈ । ১ ডলাৰেদি তুমি সেই সময়ত ৪ গেলন তেল ভৰাব পৰিলা নহলেবা তোমাৰ হাতত থকা ১ আউঞ্চ ৰূপৰ মুদ্ৰাটোৱেদিও ৪ গেলন তেল ভৰাব পাৰা – তোমাৰ ইচ্ছা । পিছে তাকে নকৰি, তুমি ১ ডলাৰৰ কাগজখন আৰু ৰূপৰ মুদ্ৰাটো বাহঁৰ চুঙা এটাত ভৰাই থৈ দিলা । গল কথা গুছিল । ২০১৭ চন ! তোমাৰ চকু পৰিল বাহঁৰ চুঙাটোত । খুলি দেখিলা ১ ডলাৰৰ কাগজখন আৰু ৰূপৰ মুদ্ৰাটো । চবেঁই হুৱাদুৱা লগালে – কিমান পুৰানি নোট, চাচোন বাৰু ! তুমি যদি পুৰনি নোট খন এখন নতুন নোটৰ লগত সলাই লোৱা – ৪ গেলন তেল কিনিব পাৰিবানে ? কিন্তু সেই ৰূপৰ মুদ্ৰাটো যদি সলোৱা – কিমানখন নোট পাবা বাৰু ? ১৬ ডলাৰ ? ১৮ ডলাৰ ? ৪ গেলন তেল কিনিব পাৰিবানে ? হেৰা, তেলৰ দাম এতিয়া ২.০০ প্ৰতি গেলনত । গতিকে তোমাৰ ৫ নং টো ১ ডলাৰৰ নোট খনৰ লগত নেখাতিল ।

এতিয়া আহো এই কাগজৰ নোটবোৰ কেনেকৈ ধন হবলৈ পালে । “ অ'ই লৰা । বাহিৰলৈ নাজাবি । মুৰত বজ্ৰপাত পৰিব ।” যদি সকলোৱে অনবৰত – বৰষুন আহকেই বা নাহকেই, তাকেই কৈ থাকে, তুমি কি বাহিৰলৈ নোজোৱাকৈ ঘৰতে সোমাই থাকিবা ? যদিহে নেথাকা, তেনেহলে কিয় বাৰু ডকাইতে কাঢ়ি নিব বুলি তোমাৰ সোন ৰূপৰ মোহৰ কেইটা লোকৰ চন্দুকত থৈ কাগজৰ ৰিচিপ্ত খন ললা ? তোমাৰ ভয়,

তোমাৰ এই অহৈতুক ভয়ে তোমালোকক কোঙা কৰিলে – কাৰন তোমালোকৰ ভগৱানৰ লগত সম্পৰ্ক হেৰুৱালা । ২০০ বছৰৰ আগতে এই ধুৰ্ত্তবোৰে এই বুদ্ধিৰে তোমালোকৰ মোহৰ কেইটা নিলে, কিন্তু সিঁহত সিমান ধুৰ্ত্ত তেতিয়া নাছিল । যেতিয়া তোমালোকে মোহৰ কেইটা ঘুৰাই বিচাৰা, তোমাক দি দিছিল । সিহতে মোহৰ নোলেৱাকে ৰিচিপ্ত ছপা কৰা নছিল । সময় সলনি হল । তোমালোকো এলেহুৱা হলা । তোমালোক তাহাতৰ চন্দুকলৈ নোজোৱাই হলা । কিবা বস্তু কিনিবলৈ হলে, মোহৰৰ সলনি ৰিচিপ্ত খনকে দি কলা - "যা – মোহৰ লগৈ" - কাৰন তোমালোক এলেহুৱা হলা । তোমালোকৰ এলেহুৱা স্বভাৱৰ উমান পাই ধুৰ্ত্তবোৰে নকল ৰিচিপ্ত ছপা কৰিবলৈ ললে, আৰু নাম ললে Bank । ইতিমধ্যে তোমালোক ইমানেই মূৰ্খ হৈ গৈছিলা যে শব্দ এটা দেখিলে তাৰ অৰ্থটোও বুজি নেপাই আনক সোধা হলা । Bank শব্দটো আহিল ক'ৰ পৰা ? মই যদি কও – River Bank ৰ পৰা কেনে লাগিব ? নদীৰ দুটা পাৰ – মানে bank , এই দুই পাৰৰ মাজেদি কি বয় ? পানী মানে Current - মানে Currency । সেই কাৰনে তোমালোকে চুই থকা কাগজবোৰক Currency বুলি কয় । এইবো চব আৰম্ভ হৈছিল চুইজাৰলেণ্ডৰ এটা Banker ৰ জৰিয়তে । বিচাৰাচোন কোনে কৈছিল এই কথাফাকি ? " Let me issue and control a Nation's money, I care not who writes its Laws" । পাৰিবানে ?

এই ধুৰ্ত্তবোৰ মানৱ জাতিৰ একমাত্ৰ শত্ৰু । তোমালোকক Slave বনাই, আধ্যাত্মিকতা নষ্ট কৰি Endless Life and Death cycle'ত বন্দি কৰি মানৱ জাতিৰ ওপৰত ৰাজত্ত কৰাতোৱেই মুল উদেশ্য । মনত আছে ? ভুপেনে কি গাইছিল ? "অতিতৰ বুৰঞ্জীত লিখকে লিখিছিল, ৰজা-মহাৰজাৰ কথা । আজিৰ বুৰঞ্জীৰ লিখকে লিখিব মানুহৰ মুকুতিৰ কথা …. "

या निशा सर्वभूतानां तस्यां जागर्ति संयमी |<br>यस्यां जाग्रति भूतानि सा निशा पश्यतो मुने: || 69||

# 200 Proof

**That earth is NOT a spinning ball**
**– By Eric Dubay**



**Transalation By :** **Achiyanta Rajkhowa**
Contact By Post:
C/O Sarat Rajkhuwa
PO Balichapori Dist: Majuli, Assam
Pin : 785104 INDIA

১) আমাৰ ধৰাখন যদি প্ৰকৃততেই এটা গোলক সদৃশ হ'ল হেতেন,তেনেহলে আমি দীগন্তত ধৰাতলৰ বক্ৰতাৰ (যাক Curvature of the earth বুলি কোৱা হয় ) অৱস্থিতি দেখিবলৈ পালো হেতেন ।কিন্তু দীগন্ত , যিকোনো অধ্যয়নতে ৩৬০° সমতলীয় ৰূপতহে পোৱা গৈছে ।আজিলৈকে সকলো ব্যক্তিগত প্ৰচেষ্টাৰে চলোৱা বেলুন উৰণ ,উৰাজাহাজ আৰু অত্যাধুনিক ড্ৰোন উৰনেৰে তোলা পৃথিৱীৰ চবিত , যিকোনো উচ্চতাতেই দীগন্ত ৩৬০° সমতলীয় ৰূপত পোৱা গৈছে ।এই সাধাৰণ সত্যটো আমি খালী চকুৰে দীগন্তলৈ চায়ো উপলব্ধি কৰিব পাৰোহক ।একমাত্ৰ nasa বা অন্যান্য চৰকাৰী মহাকাশ সংস্থাই তোলা পৃথিৱীৰ চবিতহে পৃথিৱীৰ পৰিসীমাৰ বক্ৰতা দেখা যায় ।নিশ্চিত ভাৱেই এয়া এক প্ৰহসন আৰু সাধাৰন মানুহক বিভ্ৰান্ত কৰাৰ অপকৌশল ।



২)দীগন্তৰ অপৰিৱৰ্তিত অৱস্থান

যিকোনো উচ্চতাতে দীগন্ত(horizon) সদায় আমাৰ চকুৰ সমুখত সমান্তৰাল হৈ ধৰা দিয়ে । পৃথিৱীখন গোলাকাৰ হোৱা হলে ,উচ্চতাৰ বাহি যোৱাৰ অনুপাতে দীগন্ত আমাৰ দৃষ্টিৰ সমান্তৰাল নহৈ ক্ৰমাত নিম্নগামী হল হেতেন , অন্য অৰ্থত দীগন্ত চাবৰ বাবে আমি আমাৰ দৃষ্টিক ক্ৰমাত তললৈ আৰু তললৈ নিৱদ্ধ কৰিব লগা হল হেতেন ।

৩) সুনিদিষ্ট জলপৃষ্ঠ

জুলীয়া পদাৰ্থৰ এক সাধাৰন ধৰ্ম হল এই যে , ই সমতল আৰু স্থিৰ ক্ষেত্ৰ এখনত এক নিদিষ্ট পৃষ্ঠতা , ৰক্ষা কৰি চলে । পৃথিৱীৰ ক্ষেত্ৰত ইয়াক পৃথিৱীৰ জলপৃষ্ঠ ( water level of the earth ) বুলি কোৱা হয় , যি আমাৰ ধৰাতলৰ সকলো স্থানতে একে আৰু সুনিদিষ্ট । পৃথিৱীৰ আকৃতি গোলাকাৰ আৰু লগতে ই যদি নিজৰ অক্ষইদি ঘূৰ্মীয় মান হলহেতেন , তেনেহলে পৃথিৱীৰ জলপৃষ্ঠৰ পৃষ্ঠতাৰ নিদিষ্টতা কেতিয়াও ৰক্ষা নপৰিল হেতেন । পৃথিৱীৰ জলপৃষ্ঠৰ সুনিদিষ্টতাই আঙুলিয়াই দিয়ে যে ই গোলাকাৰ আৰু ঘূৰ্মীয়মান নহৈ স্থিৰ আৰু
সমতলীয়হে ।

৪ )নদীৰ গতিপথৰ অধ্যয়ন

নদী সমূহৰ গতিপথৰ সম্যক অধ্যয়নৰ দ্বাৰা আমাৰ পৃথিৱী খন যে এখন চেপেটা সমতল ক্ষেত্ৰ, সেইটোৰ ধাৰনা আহৰন কৰিব পাৰি । সাগৰ পৃষ্ঠৰ পৰা উচ্চতা অনুসৰি নদী এখনে পূব , পশ্চিম ,উত্তৰ , দক্ষিন সকলো দিশতে গতি কৰে ।পৃথিৱীখন যদি গোলাকাৰ হল হেতেন তেন্তে নদী সমূহৰ পক্ষে সকলো দিশতে গতি কৰাটো সম্ভৱ নহল হেতেন,কিয়নো তেনে ক্ষেত্ৰত আক্ষৰিক অৰ্থতে নদী এখনে চাপৰ ঠাই এখনৰ পৰা ওখ ঠাইলৈ গতি কৰিব লগা হ'ল হেতেন ।চবিৰ দ্বাৰা ইয়াক সহজতে বোধগম্য কৰিব পৰা যায় ।

৬) ভূ পৃষ্ঠৰ অপৰিৱৰ্তিত উচ্চতা

NASA আৰু অন্যান্য সংস্থাই দাবী কৰা অনুসৰি পৃথিৱীখন ২৫০০০ মাইল পৰিসীমাৰ গোলক হোৱা হলে ,গোলকীয় ত্ৰিকোনমিতি অনুসৰি ,প্ৰতি বৰ্গ মাইলত বক্ৰতাৰ পৰিমাপ হল =
৮ ইঞ্চি প্ৰতি বৰ্গমাইল × দুৰত্বৰ বৰ্গ
এই হিচাপ অনুসৰি প্ৰতি বৰ্গ মাইলত ৮ ইঞ্চিকৈ ভূ পৃষ্ঠৰ উচ্চতাৰ অৱনমি ঘটিব লাগিছিল । কিন্তু ব্যৱহাৰিক পৃথিৱীত সেইটো হোৱা দেখা নাযায় ।

৭ )ব্যৱহাৰিক কোনো ক্ষেত্ৰটে পৃথিৱীৰ পৰিসীমাৰ বক্ৰতাৰ ফলত হ'ব পৰা উচ্চতাৰ অৱনতিক মান্যতা প্ৰদান কৰা নহয় ।কেনেলচ ,ৰেলৱে পথ , দলং আদিবোৰ সদায় ভূ পৃষ্ঠৰ সমান্তৰাল আৰু পৃথিৱীৰ পৰিসীমাৰ বক্ৰতাৰ ফলত হোৱা স্থানছুটিৰ সমস্যাৰ পৰা মুক্ত ।ইয়েই প্ৰমান কৰে যে পৃথিৱীখন আচলতে এখন সমতল ক্ষেত্ৰ ।

১০)লণ্ডন আৰু লিভাৰপুলৰ মাজৰ উত্তৰ-পশ্চিম ৰেলপথ আক্ষৰিক অৰ্থতে ১৮০ মাইল দৈঘ্যৰ এক সৰলৰেখা ।এই ৰেলপথৰ আতাইতকৈ উচ্চ স্থান হ'ল বাৰ্মিংহাম স্তেচন , যি সাগৰ পৃষ্ঠৰ পৰা ২৪০ ফুট উচ্চতাত অৱস্থিত ।যদিহে পৃথিৱীখন গোলক সদৃশ হ'ল হেতেন , প্ৰতি বৰ্গমাইলত ৮ ইঞ্চি স্থানচুটিৰ হিচাপত ,১৮০ মাইল দুৰত্বৰ এই ৰেলপথে , ৫৪০০ ফুট উচ্চতাৰ স্থান ছুতি ঘটালে হেতেন আৰু বাৰ্মিংহাম স্তেচন সাগৰ পৃষ্ঠতকৈ ৫৪০০ ফুট উচ্চতাত থাকিল হেতেন ।

১৩) ঊনবিংশ শতিকাৰ মাজ ভাগত মিঃ এম এম বায়ত আৰু আৰাগ' নামৰ দুজন ব্যক্তিয়ে পৃথিৱীখন যে আচলতে এটা গোলক নহয় তাৰ প্ৰমানৰ উদ্দেশ্যে এটা পৰীক্ষা চলাইছিল । তেওঁলোকে এটা শক্তিশালী পোহৰ উৎস আৰু শক্তিশালী প্ৰতিফলক লৈ এই পৰীক্ষা সম্পন্ন কৰিছিল ।তেওঁলোকে পোহৰ উৎসটো স্পেইনৰ ডেচিয়েট লা পালমা নামৰ ঠাইখনৰ আতাইটকৈ উচ্চ অংশত স্থাপন কৰিছিল আৰু প্ৰতিফলকৰ সহায়ত সেই পোহৰ উৎসটো আইভিজা দ্বীপৰ উচ্চাংশত ধৰা পেলাইছিল । ঠাইদুখনৰ অৱস্থান একে আৰু দুৰত্ব ১০০ মাইলৰো অধিক ।যদিহে পৃথিৱীখন গোলক সদৃশ হ'ল হেতেন তেনেহলে প্ৰতিফলকে পোহৰ উৎসটো কেতিয়াও ধৰা পেলাব নোৱাৰিলে হেতেন ।কিয়নো ২৫০০০ মাইল পৰিসীমাৰ গোলক এটাৰ ক্ষেত্ৰত পোহৰ ৰশ্মি ৬৬০০ ফুট উচ্চতাৰে গতি কৰিলে হেতেন ।

১৮) "মিচ্ছেল মৰ্লি আৰু চাগানক " পৰীক্ষাৰ ফলাফলে প্ৰমাণ কৰে যে পৃথিৱীখন দৰাচলতে সমতল ক্ষেত্ৰ আৰু স্থিৰ । তেওঁলোকে পৰীক্ষাৰ সহায়ত পৃথিৱীৰ ঘূৰ্ম্মিয়মান গতিৰ ফলত হব লগা পোহৰ ৰশ্মিৰ গতিৰ পৰিৱৰ্তন ধৰা পেলাব খুজিছিল । সম্ভৱ পৰ সকলো ক্ষেত্ৰ আৰু সকলো দিশক সামৰি কৰা এই পৰিক্ষাত , পৃথিৱীৰ ঘূৰ্ম্মিয়মান গতিৰ ফলত হব লগা পোহৰ ৰশ্মিৰ গতিৰ কোনো পৰিৱৰ্তন ধৰা পৰা নাছিল । এই ফলাফলে প্ৰমান কৰে যে পৃথিৱীখন গোলাকাৰ আৰু ঘূৰ্ম্মিয়মান নহয় , ই স্থিৰ আৰু সমতল ।

২০)পৃথিৱীখন সচাকৈয়ে ইয়াৰ অক্ষক কেন্দ্ৰ কৰি ১০০০ মাইল প্ৰতি ঘন্টা গতিত পশ্চিমৰ পৰা পূৱলৈ ঘুৰি থকা হলে , পৃথিৱীৰ পৰা চিধাকৈ আকাশলৈ নিক্ষেপ কৰা যিকোনো বস্তু , ঘুৰি আহি উৎক্ষেপন স্থানত নপৰি উৎক্ষেপন স্থানৰ পৰা যথেষ্ট দুৰ পশ্চিম দিশত পৰিলে হেতেন । কিন্তু তেনে হোৱা দেখা নাযায়।পৃথিৱীৰ বুকুৰ পৰা ওপৰলৈ দলিওৱা প্ৰতিটো বস্তু প্ৰায় একে ঠাইতে ঘুৰি আহি পৰেহি ।

২১) পৃথিৱীখন সচাকৈয়ে ইয়াৰ অক্ষক কেন্দ্ৰ কৰি ১০০০ মাইল প্ৰতি ঘন্টা গতিত পশ্চিমৰ পৰা পূৰলৈ ঘুৰি থকা হলে , গৰম বায়ু বেলুন , হেলিকপ্তাৰ , উৰাজাহাজ আদিবোৰে গতি নকৰাকৈয়ো আকাশৰ একে ঠাইতে ৰৈ থাকি গন্তব্যস্থানত উপনীত হব পাৰিলে হেতেন ।

২৫)পৃথিৱী আৰু ইয়াৰ বায়ুমণ্ডল ১০০০ মাইল প্ৰতিঘন্টাত পশ্চিমৰ পৰা পূৰলৈ গতি কৰি থকা হলে , সাধাৰন গতিৰ (৫০০ মাইল প্ৰতি ঘন্টা) পশ্চিম মুখী উৰাজাহাজ সমূহ কেতিয়াও ইয়াৰ লক্ষ্যস্থানত উপনীত নহল হেতেন । এই ক্ষেত্ৰত উৰাজাহাজ সমূহ পযাপ্ত গতিহীনতাত ভুগিল হেতেন ,কিয়নো পৃথিৱীখন ঘুৰি থাকিব ১০০০ মাইল প্ৰতিঘন্টাত পশ্চিমৰ পৰা পূৰলৈ আৰু উৰাজাহাজৰ গতি ৫০০ মাইল প্ৰতিঘন্টাত পূৰৰ পৰা পশ্চিমলৈ ।

২৭) পৃথিৱী আৰু ইয়াৰ বায়ুমণ্ডল ১০০০ মাইল প্ৰতিঘন্টাত পশ্চিমৰ পৰা পূৰলৈ গতি কৰি থকা হলে , কোনো উৰাজাহাজ, হেলিকপ্তাৰ আৰু বেলুনৰ পক্ষে এনে গতিশীল পৃষ্ঠত অৱতৰন সম্ভৱ নহল হেতেন ।

২৯) প্ৰচলিত বিজ্ঞানে দাবী কৰে যে পৃথিৱীখন এটা গোলক আৰু ই নিজ অক্ষক কেন্দ্ৰ কৰি ১০০০ মাইল প্ৰতি ঘন্টা গতিত পশ্চিমৰ পৰা পূবলৈ গতি কৰি আছে , এই আহ্নিক গতিৰ ফলতে দিন-ৰাতিৰ পৰিঘটনাও হয় বুলি তেওঁলোকে দাবী কৰে । কিন্ত ইমান প্ৰৱল গতিত পৃথিৱী আৰু ইয়াৰ বায়ুমণ্ডল ঘূৰ্ণীয়মান অৱস্থাত থকা হ'লে এই গতিৰ প্ৰভাৱ আমাৰ দৈনন্দিন জীৱন যাত্ৰাত পৰিলেহেতেন ।কিন্তু ব্যৱহাৰিক পৃথিৱীত আজিলৈকে কোনেও এই গতিৰ প্ৰভাৱ সামান্যভাৱেও অনুভৱ কৰা নাই ।ই আঙুলিয়াই দিয়ে যে পৃথিৱীখন দৰাচলতে স্থিৰ আৰু সমতল ।

৩২) প্ৰচলিত বিজ্ঞানে দাবী কৰে যে পৃথিৱীখন ১০০০ মাইল প্ৰতি ঘন্টাত গতিশীল অৱস্থাত থকাৰ পাছতো স্থিৰ যেন লাগে মধ্যাকৰ্ষণ বলৰ ক্ৰিয়াৰ বাবে । মধ্যাকৰ্ষণেই পৃথিৱীৰ বায়ুমণ্ডলকে আদি কৰি সকলোকে ধৰাপৃষ্ঠৰ লগত সংলগ্ন কৰি ধৰি ৰাখে । কিন্তু , মধ্যাকৰ্ষণ বলে ইমান শক্তিশালী ৰুপত সকলোকে ধৰি ৰখা হলে সেই শক্তিশালী মধ্যাকৰ্ষণৰ বলৰ প্ৰভাৱ জীৱকুলৰ ওপৰতো পৰিল হেতেন আৰু সেই বলৰ প্ৰভাৱ অতিক্ৰম কৰি ইমান আয়াসতে চলা ফিৰা কৰাটো সম্ভৱ নহলহেতেন ।

৩৪) উৰাজাহাজ উৰন , বেলুন উৰন আৰু জাহাজৰ সাগৰীয় যাত্ৰা -এই সকলোতে ,গননা আৰু অন্যান্য কাৰিকৰী দিশত সমতলীয় জ্যামিতি আৰু ত্ৰিকোনমীতিৰহে প্ৰয়োগ কৰা হয় , গোলকীয় নহয় । ব্যৱহাৰিক কোনো ক্ষেত্ৰতে গোলকীয় পৃথিৱীৰ পৰিসীমাৰ বক্ৰতাৰ ফলত হব লগা স্থানচ্যুতিৰ হিচাপ গননা কৰা নহয় । ইয়েই প্ৰমান কৰে যে পৃথিৱীখন কাগজে কলমেহে গোলাকাৰ , প্ৰকৃত ক্ষেত্ৰত সমতলীয় আৰু চেপেতা ।

35) যদিহে পৃথিৱীখন গোলক সদৃশ হয় , তেনেহলে বিষুৱ ৰেখাৰ দক্ষিনৰ প্ৰতিদাল দ্ৰাঘিমা ৰেখাৰ পৰিসীমা ,বিষুৱৰ পৰা দক্ষিনলৈ গতি কৰাৰ লগে লগে ক্ৰমাৎ সৰু যাব । আৰু যদিহে পৃথিৱীখন সমতলীয় হয় , তেনেহলে বিষুৱৰ দক্ষিনৰ প্ৰতিদাৰ দ্ৰাঘিমাৰ পৰিসীমা ,বিষুৱৰ দক্ষিনলৈ ক্ৰমাৎ ডাঙৰ হৈ যাব । কাৰ্যক্ষেত্ৰত বিষুৱ ৰখাৰ পৰা দক্ষিনলৈ যাত্ৰা কৰা সময়ত , গোলকীয় দ্ৰাঘিমাৰ নীতি মানি চলিলে, সকলো সময়তে গননাত ভুল অৱস্থান ধৰা পৰে । ইয়েই প্ৰমান কৰে যে পৃথিৱীৰ আকৃতিৰ গোলকীয় আৰ্হি শুদ্ধ নহয় , সমতলীয় আৰ্হিহে শুদ্ধ ।

42) পৃথিৱীৰ গোলকীয় আৰ্হি অনুসৰি এন্টাৰ্কটিকা বৰফেৰে আবৃত্ত এখন মহাদেশ ,যিখন গোলকটোৰ তলৰ অংশত ৭৮°ৰ পৰা ৯০° অক্ষাংশৰ মাজত অৱস্থিত আৰু ইয়াৰ পৰিসৰ ১২০০০ মাইলৰ অধিক নহয় আৰু দ্ৰাঘিমাংশৰ হিচাপত অধিক হবও নোৱাৰে । কিন্তু , ব্যৱহাৰিক ক্ষেত্ৰত বিভিন্ন পৰিব্ৰাজক যেনে কেপ্তেইন কুক ,জেমচ ক্লাৰ্ক ৰ'জ ৰ যাত্ৰাত তেওলোকে প্ৰায় তিনি বছৰ কালত এন্টাৰ্কটিকাৰ প্ৰায় ৬০০০০ মাইল পৰিভ্ৰমন কৰিছিল । পিছত বিভিন্ন ব্যক্তিগত প্ৰচেষ্টাত চলোৱা অধ্যয়নত এন্টাৰ্কটিকাৰ পৰিসীমা প্ৰায় ৬৯০০০ মাইল বুলি নিশ্চিত হয় । এই তথ্যই প্ৰত্যক্ষভাৱে পৃথিৱীৰ গোলকীয় আৰ্হিক প্ৰত্যাহৱান জনাই ।

43 ) যদিহে পৃথিৱীখন গোলক হয় , তেনেহলে দক্ষিন গোৰ্লাদ্ধৰ উৰাজাহাজৰ বাবে উত্তৰ গোৰ্লাদ্ধৰ গন্তব্যস্থানৰ আতাইতকৈ চমু আৰু সৰলৰৈখিক পথ হল এন্টাৰ্কটিকা মহাদেশৰ ওপৰেদি উৰন । কিন্তু সমতলীয় পৃথিৱীৰ মেপ অনুসৰি ই অসম্ভৱ ,কিয়নো সমতলীয় মেপ অনুসৰি এন্টাৰ্কটিকা উত্তৰ আৰু দক্ষিন গোৰ্লাদ্ধৰ মাজত অৱস্থিত নহয় । লক্ষনীয় কথাটো হল এয়ে যে , বিমান উৰনত সমতলীয় সীদ্ধান্তকে মানি চলি দক্ষিন গোৰ্লাদ্ধৰ সকলো বিমান উত্তৰ গোৰ্লাদ্ধলৈ বক্ৰ পথেৰে গতি কৰে ।

৪৫) গোলকীয় মেপ অনুসৰি জোহান্সবাৰ্গ আৰু পাৰ্থ উপদ্বীপৰ মাজৰ দুৰত্ব সৰলৰৈখিক । এই ক্ষেত্ৰত জোহান্সবাৰ্গ পৰা পাৰ্থ লৈ যাত্ৰা কৰা উৰাজাহাজ সমূহ , যাত্ৰাৰ আধাতে ডুবাইত অৱতৰন কৰাৰ একো যুক্তি থাকিব নোৱাৰে । সমতলীয় মেপ অনুসৰি এই কথাৰ ব্যাখা কৰিব পাৰি । কিয়নো সমতলীয় মেপ অনুসৰি ডুবাই , জোহান্সবাৰ্গ আৰু পাৰ্থৰ মাজত অৱস্থিত ।

৪৬)গোলকীয় পৃথিৱীৰ মেপ অনুসৰি , দক্ষিন আফ্ৰিকাৰ কেপ টাউন আৰু আৰ্জেন্টিনাৰ বিউনচ এৰিয়েচৰ মাজৰ আটাইতকৈ চমু আৰু সৰলৰৈখিক গতিপথ হল এন্টাৰ্কটিকাৰ ওপৰেদি একে সৰলৰৈখিক অক্ষৰেখাৰে । এই ক্ষেত্ৰত আৰ্জেন্টিনাৰ পৰা দক্ষিন আফ্ৰিকালৈ যাত্ৰা কৰা বিমান সমূহে সেই সৰলৰৈখিক গতিপথ নলৈ ,যাত্ৰাৰ মাজভাগতে উত্তৰ গোলাদ্ধৰ লণ্ডন বা ডুবাইত

অৱতৰন কৰাৰ একো যুক্তি থাকিব নোৱাৰে । একমাত্র পৃথিৱীৰ সমতলীয় মেপৰ দ্বাৰা ইয়াৰ ব্যাখা কৰিব পাৰি । কিয়নো গোলকীয় আৰ্হিৰ মেপে দাৱী কৰা অনুসৰি , ঠাই দুখনৰ মাজৰ দুৰত্ব সৰলৰৈখিক নহয়েই ।

৪৯) পৃথিৱীখন সূয্যৰ পৰা ৯৩ মিলিয়ন মাইল দুৰত্বত এটা গতিশীল গোলক হোৱা হলে ,গতিশীলতাৰ কাৰনে ইয়াৰ উপৰিভাগৰ সকলো স্থানতে সমভাৱে সূৰ্যৰ কিৰন পৰিলে হেতেন আৰু পৃষ্ঠভাগৰ তাপমান সকলো ঠাইতে প্রায় একে হল হেতেন ।কিন্ত বাস্তৱিক পৃথিৱীখন মৰুভূমি, মেৰু অঞ্চল আদি বিভিন্ন ভাগত বিভক্ত আৰু ইয়াৰ উপৰিভাগত তাপমানৰ প্রচুৰ বৈচিত্রতা দেখা যায় ।

৫০)বিশ্বখন প্রকৃততেই এটা ঘুৰি থকা গোলক আৰু উত্তৰ আৰু দক্ষিন দুটা মেৰু অঞ্চল বুলি ধৰি ললে , দুইটা মেৰুৰে ভৌগলিক চৰিত্র, জীৱৰ বসতি , তাপমান আদি একে হল হেতেন ।কিন্তু দুইটা মেৰু অঞ্চলৰে এই চৰিত্র সমুহৰ বিস্তৰ প্রাথক্যই প্রমাণ কৰে যে প্রচলিত চিস্তেমে দাবী কৰা অনুসৰি পৃথিৱীখন গোলক আৰু উত্তৰ আৰু দক্ষিন দুটা মেৰু অঞ্চল নহয়েই ।

৫৩) বিষুৱ ৰেখাৰ উত্তৰ আৰু দক্ষিনত সুৰ্যৰ অৱস্থান আৰু ব্যৱহাৰে পৃথিৱীখন যে সমতল ক্ষেত্র তাক আঙুলিয়াই দিয়ে । উদাহৰন স্বৰূপে ,বিষুৱৰ উত্তৰত গ্রীষ্মৰ আটাইতকৈ দীঘল দিনটো বিষুৱৰ দক্ষিণৰ গ্রীষ্মৰ আতাইতকৈ দীঘল দিনটোতকৈ বহু বেছি দীঘল হয় ।এই পৰিঘটনাৰ ব্যাখা কেৱল পৃথিৱীৰ সমতলীয় আৰ্হিৰ দ্বাৰাহে সম্ভৱ হয় ।

৫৪) পৃথিৱীখন ঘূৰ্ণীয়মান গোলক হোৱা হলে , বিষুৱ ৰেখাৰ উত্তৰ আৰু দক্ষিনৰ একে অক্ষাংকৰ ঠাই বোৰত প্রায় একে ধৰনেই সন্ধিয়া আৰু পুৱা হল হেতেন ।সুষম গতিৰে ঘূৰ্ণীয়মান গোলক এটাৰ ক্ষেত্রত এয়া বেলেগ হোৱাৰ প্রশ্নই উঠিব নোৱাৰে । কিন্তু কাৰ্যক্ষেত্রত , বিষুৱৰ উত্তৰ ঠাই বোৰত পুৱা আৰু সন্ধিয়া ধীৰ গতিত হয় আৰু দেৰিলৈকে বৰ্তি থাকে । আনহাতে বিষুৱৰ দক্ষিনৰ ঠাইবোৰত পুৱা আৰু সন্ধিয়া তৰিৎ গতিত হয় আৰু খুৱ কম সময় বৰ্তি থাকে । এই পৰিঘটনাৰ ব্যাখা গোলকীয় আৰ্হি আৰু পৃথিৱীৰ আহ্নিক গতিৰ ধাৰনাৰ দ্বাৰা দিব নোৱাৰি । কিন্তু সমতলীয় পৃথিৱী আৰু পৰিভ্রমনশীল সূৰ্যৰ অৰ্হিৰে ইয়াৰ সুন্দৰ ব্যাখা আগবঢ়াব পাৰি ।

৫৬) "মাজৰাতিৰ সূৰ্য " (the midnight sun ) , সুমেৰু অঞ্চলৰ উত্তৰত আৰু কুমেৰু অঞ্চলৰ দক্ষিনত দেখা পোৱা এটা পৰিঘটনা । প্রতি বছৰে গ্রীষ্মৰ দিনবোৰত এই পৰিঘটনা দেখা যায় । এই পৰিঘটনাত সূৰ্য দিনটোৰ সকলো সময়তে (২৪ঘন্টা) আকাশত দেখা পোৱা যায় । গোলকীয় আৰু ঘূৰ্ণীয়মান পৃথিৱীৰ ক্ষেত্রত এই পৰিঘটনা কেৱল দুই মেৰুত হেত দেখা পোৱা সম্ভৱ ।পৃথিৱীখন

গোলাকাৰ আৰু সুৰ্যৰ চাৰিওফালে গতিশীল অৱস্থাত থকা হলে মেৰু অঞ্চলৰ বাহিৰে আন কোনো ঠাইতে সূৰ্যক দিনটোৰ ২৪ ঘন্টাই আকাশত দেখা সম্ভৱ নহয় ।

৫৯)পৃথিৱীখন গোলাকাৰ আৰু ই সুষম গতিৰে অক্ষক কেন্দ্ৰকৰি ঘুৰি থকা হলে, পৃথিৱীৰ সকলো ঠাইতে আৰু বছৰটোৰ সকলো মাহতে , দিন ৰাতিৰ দৈৰ্ঘ সমান আৰু একে হল হেতেন । কিয়নো গোলাকাৰ আৰু পৰিৱৰ্তনহীন গতিৰে ঘুৰি থকা গোলক এটাৰ ক্ষেত্ৰত , (সুৰ্যক যিহেতু স্থিৰ বুলি দাবী কৰা হয় ,) সুৰ্যাস্ত আৰু সূৰ্যোদয়ৰ সময় পৰিৱৰ্তন হোৱাতো অসম্ভৱ । কিন্তু ব্যৱহাৰিক পৃথিৱীত ,পৃথিৱীৰ বিভিন্ন স্থানত , বছৰটোৰ বিভিন্ন সময়ত দিন ৰাতিৰ দৈৰ্ঘ সলনি হৈ থাকে ।ইয়েই প্ৰমান কৰে যে পৃথিৱীক গোলাকাৰ আৰু ঘূৰ্মীয়মান নহয়েই ।

**মই সাৰে আছো আৰু কৈ আছো, কাৰন মই মুনি ।**
**তোমালোক হলা সাধাৰন মনুস্য !**

## To be continued .....

# নাৰায়নৰ - ১৬ টা নাম

| | |
|---|---|
| ঔষধে চিন্তয়েম **বিষ্ণুম** | দুঃসপ্নে স্মৰ **গোৱিন্দ**ম |
| ভোজনে চ **জৰ্নাদন**ম | সংকতে **মধুসোধন**ম |
| শয়নে **পদ্মনাভ**মচ | কাননে **নৰসিংহ**ম চ |
| বিবাহে চ **প্ৰজাপতি**ম | পাৱকে **জলশায়িন**ম |
| যুদ্ধে **চক্ৰধৰ**ম দেৱম | জলমধ্যে **বৰাহ**ম চ |
| প্ৰৱাসে চ **ত্ৰিবিক্ৰম**ম | পৰ্বতে **ৰঘুনন্দন**ম |
| **নাৰায়ন**ম তনুত্যাগে | গমনে **বামন**ম চৈব |
| **শ্ৰীধৰ**ম প্ৰিয়া সংগমে | সৰ্বকাৰ্য্যে সু **মাধৱ**ম |

| | | | | |
|---|---|---|---|---|
| ১) ওঁ শিবায় নমঃ | ২৩) ওঁ উগ্রায় নমঃ | ৪৫) ওঁ অম্বিকানীশ্চরায় নমঃ | ৬৭) ওঁ অনেকাত্মনে নমঃ | ৮৯) ওঁ অহির্বুধ্ন্যায় নমঃ |
| ২) ওঁ মহেশ্বরায় নমঃ | ২৪) ওঁ কপালিনে নমঃ | ৪৬) ওঁ সর্বজ্ঞায় নমঃ | ৬৮) ওঁ সাত্ত্বিকায় নমঃ | ৯০) ওঁ দিগম্বরায় নমঃ |
| ৩) ওঁ সম্ভবে নমঃ | ২৫) ওঁ কামারয়ে নমঃ | ৪৭) ওঁ পরমাত্মনে নমঃ | ৬৯) ওঁ শুদ্ধবিগ্রহায় নমঃ | ৯১) ওঁ মৃড়ায় নমঃ |
| ৪) ওঁ পিনাকিনে নমঃ | ২৬) ওঁ অন্ধকাসুরসূদনায় নমঃ | ৪৮) ওঁ সোমসূর্যাগ্নিলোচনায় নমঃ | ৭০) ওঁ শাশ্বতায় নমঃ | ৯২) ওঁ পশুপতয়ে নমঃ |
| ৫) ওঁ শশিশেখরায় নমঃ | ২৭) ওঁ গঙ্গাধরায় নমঃ | ৪৯) ওঁ হবিষে নমঃ | ৭১) ওঁ খণ্ডপরশবে নমঃ | ৯৩) ওঁ দেবায় নমঃ |
| ৬) ওঁ বামদেবায় নমঃ | ২৮) ওঁ ললাটাক্ষায় নমঃ | ৫০) ওঁ যজ্ঞময়ায় নমঃ | ৭২) ওঁ অজায় নমঃ | ৯৪) ওঁ মহাদেবায় নমঃ |
| ৭) ওঁ বিরূপাক্ষায় নমঃ | ২৯) ওঁ কালকালায়ে নমঃ | ৫১) ওঁ পঞ্চবক্ত্রায় নমঃ | ৭৩) ওঁ পাশবিমোচকায় নমঃ | ৯৫) ওঁ অব্যয়ায় নমঃ |
| ৮) ওঁ কপর্দিনে নমঃ | ৩০) ওঁ কৃপানিধয়ে নমঃ | ৫২) ওঁ সদাশিবায় নমঃ | ৭৪) ওঁ কৃত্তিবাসয়ে নমঃ | ৯৬) ওঁ হরয়ে নমঃ |
| ৯) ওঁ নীললোহিতায় নমঃ | ৩১) ওঁ ভীমায় নমঃ | ৫৩) ওঁ বিশ্বেশ্বরায় নমঃ | ৭৫) ওঁ পুরারাতয়ে নমঃ | ৯৭) ওঁ পুষ্পদন্তভিদে নমঃ |
| ১০) ওঁ শংকরায় নমঃ | ৩২) ওঁ পরশুহস্তায় নমঃ | ৫৪) ওঁ বীরভদ্রায় নমঃ | ৭৬) ওঁ ভগবতে নমঃ | ৯৮) ওঁ ভগনেত্রভিদে নমঃ |
| ১১) ওঁ শূলপানয়ে নমঃ | ৩৩) ওঁ মৃগপানয়ে নমঃ | ৫৫) ওঁ গণনাথায় নমঃ | ৭৭) ওঁ প্রমথাধিপায় নমঃ | ৯৯) ওঁ অপবর্গপ্রদায় নমঃ |
| ১২) ওঁ খট্বাঙ্গিনে নমঃ | ৩৪) ওঁ জটাধরায়ে নমঃ | ৫৬) ওঁ প্রজাপতয়ে নমঃ | ৭৮) ওঁ মৃত্যুঞ্জয়ায় নমঃ | ১০০) ওঁ অব্যগ্রায় নমঃ |
| ১৩) ওঁ বিষ্ণুবল্লভায় নমঃ | ৩৫) ওঁ কৈলাশবাসিনে নমঃ | ৫৭) ওঁ হিরণ্যরেতসে নমঃ | ৭৯) ওঁ সূক্ষ্মতনবে নমঃ | ১০১) ওঁ অব্যক্তায় নমঃ |
| ১৪) ওঁ শিপিবিষ্টায় নমঃ | ৩৬) ওঁ কবচিনে নমঃ | ৫৮) ওঁ দুর্ধর্ষায় নমঃ | ৮০) ওঁ জগৎব্যাপিনে নমঃ | ১০২) ওঁ অনন্তায় নমঃ |
| ১৫) ওঁ অম্বিকানাথায় নমঃ | ৩৭) ওঁ কঠোরায় নমঃ | ৫৯) ওঁ গিরীশায় নমঃ | ৮১) ওঁ জগৎগুরুবে নমঃ | ১০৩) ওঁ দক্ষাধ্বরহরায় নমঃ |
| ১৬) ওঁ শ্রীকণ্ঠায় নমঃ | ৩৮) ওঁ ত্রিপুরান্তকায় নমঃ | ৬০) ওঁ গিরিশায় নমঃ | ৮২) ওঁ ব্যোমকেশায় নমঃ | ১০৪) ওঁ সহস্রাক্ষায় নমঃ |
| ১৭) ওঁ ভক্তবৎসলায় নমঃ | ৩৯) ওঁ বৃষাঙ্কায় নমঃ | ৬১) ওঁ অনঘায় নমঃ | ৮৩) ওঁ মহাসেনায় নমঃ | ১০৫) ওঁ তারকায় নমঃ |
| ১৮) ওঁ ভবায় নমঃ | ৪০) ওঁ বৃষভারূঢ়ায় নমঃ | ৬২) ওঁ ভুজঙ্গভূষণায় নমঃ | ৮৪) ওঁ জনকায় নমঃ | ১০৬) ওঁ হরায় নমঃ |
| ১৯) ওঁ শর্বায় নমঃ | ৪১) ওঁ ভস্মোদ্ধূলিতবিগ্রহায় নমঃ | ৬৩) ওঁ ভর্গায় নমঃ | ৮৫) ওঁ চারুবিক্রমায় নমঃ | ১০৭) ওঁ সহস্রপদে নমঃ |
| ২০) ওঁ ত্রিলোকেশায় নমঃ | ৪২) ওঁ সামপ্রিয়ায় নমঃ | ৬৪) ওঁ গিরিধন্বনে নমঃ | ৮৬) ওঁ রুদ্রায় নমঃ | ১০৮) ওঁ শ্রী পরমেশ্বরায় নমঃ |
| ২১) ওঁ শিতিকণ্ঠায় নমঃ | ৪৩) ওঁ স্বরময়ায় নমঃ | ৬৫) ওঁ গিরিপ্রিয়ায় নমঃ | ৮৭) ওঁ ভূতপতয়ে নমঃ | NOTE: ওঁ = মাই, নমঃ = মন হ |
| ২২) ওঁ শিবা প্রিয়ায় নমঃ | ৪৪) ওঁ ত্রিমূর্তয়ে নমঃ | ৬৬) ওঁ অষ্টমূর্তয়ে নমঃ | ৮৮) ওঁ স্থাণবে নমঃ | Means : I am 'নাম' in my mind .<br>I am the TRUTH = **ওঁ তৎ সৎ** |

# This is a Bonus Book For My DVD !




Printed By : Abhinaba Barthakur
for More copies
Contact
[abhi@barthakur.com](mailto:abhi@barthakur.com)
[http://barthakur.com](http://barthakur.com)
India: +91 936 555 7998 / +91 95310 55468
USA: +1 908 369 1099 / fax: +1 908 369 3424